**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-12-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। বিগত ডেৰ বছৰত দেশত প্ৰায় ১০ লাখ চৰকাৰী চাকৰিত নিযুক্তি দিয়া হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সদৰি কৰিছে।

২। বিজেপিয়ে আজি ৰাজধানী দিল্লীত সমাগত বিধানসভা নিৰ্বাচনৰ পূৰ্বে দিল্লী চৰকাৰৰ বিৰুদ্ধে অভিযোগনামা প্ৰকাশ কৰিছে।

৩। ডিব্ৰুগড়ৰ অসম সচিবালয়ত আজি অসম মন্ত্ৰীসভাৰ এখন বৈঠক অনুষ্ঠিত হ'ব।

৪। সমগ্ৰ উত্তৰ ভাৰত প্ৰচণ্ড শীত প্ৰৱাহৰ কবলত পৰিছে।

আৰু

৫। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ভাৰতীয় সম্প্ৰদায়ৰ আমেৰিকান উদ্যোগী শ্ৰীৰাম কৃষ্ণণক কৃত্ৰিম বুদ্ধিমত্তা বিষয়ত হোৱাইট হাউছৰ জ্যেষ্ঠ নীতি উপদেষ্টা হিচাপে নিযুক্তি দিছে।

০০০০০০০

বিগত ডেৰ বছৰত দেশত প্ৰায় ১০ লাখ চৰকাৰী চাকৰিত নিযুক্তি দিয়া হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। আজি ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে ৭১ হাজাৰতকৈও অধিক নিযুক্তি পত্ৰ বিতৰণ কৰি দিয়া ভাষণত শ্ৰী মোদীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে বিভিন্ন মন্ত্ৰালয়, বিভাগ আৰু সংস্থাসমূহৰ অধীনত চাকৰিত নিযুক্তি দিয়াৰ বাবে যোৱা ১০ বছৰে অভিযান অব্যাহত ৰখা হৈছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে এই নিযুক্তি মেলাসমূহে যুৱ প্ৰজন্মৰ সম্ভাৱনাৰ বিকাশ কৰি তেওঁলোকৰ সৱলীকৰণ নিশ্চিত কৰিছে। দেশখনৰ যুৱ প্ৰজন্মৰ মাজত থকা প্ৰতিভা আৰু সম্ভাৱনাৰ সম্পূৰ্ণৰূপে সু-ব্যৱহাৰ কৰাৰ ওপৰত চৰকাৰে অগ্ৰাধিকাৰ দিছে বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয়, যে চৰকাৰৰ নীতি আৰু সিদ্ধান্তসমূহৰ ফলত বিশেষকৈ গ্ৰামাঞ্চলত নিয়োগ আৰু আত্ম সংস্থাপনৰ বাবে নতুন সুযোগ-সুবিধাৰ সৃষ্টি হৈছে। ভাৰতে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰত গঢ়ি তুলিবলৈ সংকল্প লৈছে বুলি তেওঁ কয়। কেন্দ্ৰীয় চৰকাৰে মেক ইন ইণ্ডিয়া, আত্মনিৰ্ভৰ ভাৰত, ষ্টাৰ্টআপ ইণ্ডিয়া, ষ্টেণ্ড আপ ইণ্ডিয়া আদিৰ দৰে আঁচনিসমূহ যুৱ প্ৰজন্মক লক্ষ্য কৰিয়েই গ্ৰহণ কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ভাৰতে প্ৰতিৰক্ষা খণ্ডত উৎপাদনত অধিক গুৰুত্ব আৰোপ কৰিছে আৰু ইয়াৰ ফলত যুৱক-যুৱতীসকল বিশেষভাৱে উপকৃত হ'ব। শ্ৰী মোদীয়ে লগতে ভাৰত সম্প্ৰতি ম'বাইল ফোন উৎপাদনৰ ক্ষেত্ৰত বিশ্বৰ দ্বিতীয় বৃহৎ আৰু তৃতীয় সৰ্ববৃহৎ ষ্টাৰ্টআপ অনুকুল দেশ হিচাপে পৰিগণিত হৈছে বুলি জানিবলৈ দিয়ে। অনুষ্ঠানত অংশ লৈ কৰ্মচাৰী আৰু প্ৰশিক্ষণ দপ্তৰৰ ৰাজ্য মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে কয়, যে ৭১ হাজাৰ নিযুক্তিৰ ভিতৰত ৫০ হাজাৰ নিযুক্তি অৰ্ধ সামৰিক বাহিনীত দিয়া হৈছে। ইপিনে, অন্যান্য পিছপৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত ২১ হাজাৰ লোকক নিযুক্তি দিয়া হৈছে। উল্লেখযোগ্য যে দেশৰ ৪৫খন ঠাইত আজি নিযুক্তি পত্ৰ বিতৰণৰ বাবে বিশেষ মেলাৰ আয়োজন কৰা হয়। ২০২২ চনৰ অক্টোবৰত আৰম্ভ হোৱা ৰোজগাৰ মেলা এতিয়ালৈকে ৫০খন চহৰত ৰাষ্ট্ৰীয় পৰ্যায়ত ১৩বাৰ আয়োজন

কৰা হৈছে। বিভিন্ন চৰকাৰী বিভাগ আৰু মন্ত্ৰ্যালয়ৰ খালী পদ পূৰণৰ দিশত পদক্ষেপ হিচাপে এই ৰোজগাৰ মেলাসমূহত লাখ লাখ নিযুক্তি পত্ৰ বিতৰণ কৰা হৈছে। নতুনকৈ নিযুক্তিপ্ৰাপ্ত সকলে গৃহ পৰিক্ৰমা, উচ্চ শিক্ষা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, বিত্তীয় সেৱা আদি বিভাগত যোগদান কৰিব।

অসমতো আজি নিযুক্তি মেলাৰ আয়োজন কৰা হয়। গুৱাহাটীত আয়োজিত এই কাৰ্যসূচীত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। অনুষ্ঠানত দিয়া ভাষণত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কেইবাগৰাকীও নৱনিযুক্ত প্ৰাৰ্থীৰ সৈতে মত বিনিময় কৰাৰ উপৰি তেওঁলোকক নিষ্ঠা আৰু একাগ্ৰতাৰে নিজৰ কাম কৰি যাবলৈ আহ্বান জনায়।

০০০০০০

বিজেপিয়ে আজি ৰাজধানী দিল্লীত সমাগত বিধানসভা নিৰ্বাচনৰ পূৰ্বে দিল্লী চৰকাৰৰ বিৰুদ্ধে অভিযোগনামা প্ৰকাশ কৰিছে। দলৰ জ্যেষ্ঠ নেতা অনুৰাগ ঠাকুৰ, দিল্লী বিজেপিৰ মুৰব্বী বীৰেন্দ্ৰ সচদেৱা আৰু অন্য নেতাসকলে দিল্লীত আম আদমী পাৰ্টীৰ নেতৃত্বাধীন চৰকাৰে অপশাসন চলোৱাৰ লগতে জনসাধাৰণক প্ৰদান কৰা প্ৰতিশ্ৰুতিসমূহ পূৰণত ব্যৰ্থ হোৱা বুলি অভিযোগ তুলি এই সন্দৰ্ভত নথি প্ৰকাশ কৰে। এই উপলক্ষে নতুন দিল্লীত আয়োজিত কাৰ্যসূচীত  দিয়া ভাষণত শ্ৰী ঠাকুৰে কয়, যে আম আদমী পাৰ্টীৰ আহ্বায়ক অৰবিন্দ কেজৰিৱালে ভুৱা প্ৰতিশ্ৰুতিৰে দিল্লীৰ জনসাধাৰণক বিপথে পৰিচালিত কৰিছে। তেওঁ লগতে যমুনা নদীৰ জল প্ৰদূষণ, দিল্লীৰ বায়ু প্ৰদূষণ আৰু মহানগৰীখনত দুৰ্নীতিৰ বিষয়সমূহ উত্থাপন কৰি শ্ৰী কেজৰিৱালক সমালোচনা কৰে। শ্ৰী ঠাকুৰে লগতে চৰকাৰখনে কেন্দ্ৰীয় চৰকাৰৰ জলজীৱন মিছন আৰু আয়ুস্মান ভাৰতৰ অধীনৰ আঁচনিসমূহ দিল্লীত ৰূপায়ণ কৰা নাই বুলিও অভিযোগ তোলে। শ্ৰী কেজৰিৱালে পূৰ্বাঞ্চলৰ জনসাধাৰণক উপলুঙা কৰা বুলিও অভিযোগ তোলে। শ্ৰী ঠাকুৰে কয়, যে আম আদমী পাৰ্টীয়ে দুৰ্নীতিমুক্ত প্ৰশাসনৰ প্ৰতিশ্ৰুতি দি শাসনভাৰ গ্ৰহণ কৰিছিল যদিও দলটোৱে বৃহৎ অনিয়ম সংঘটিত কৰাৰ লগতে দলৰ কেইবাগৰাকীও নেতা দুৰ্নীতিৰ অভিযোগত কাৰাগাৰলৈ যাবলগীয়া হৈছে। ইপিনে, শ্ৰী কেজৰিৱালে বিজেপিৰ এই অভিযোগসমূহ নাকচ কৰি কয়, যে দলটোৰ হাতত প্ৰকৃততে উত্থাপন কৰিবলৈ কোনো গুৰুত্বপূৰ্ণ বিষয় নাই। ৰাজধানীখনৰ জনসাধাৰণৰ উন্নয়নৰ বাবে দৰাচলতে কেনে পদক্ষেপ লোৱা হৈছে, সেই বিষয়েও দলটোৱে দৃষ্টি নিক্ষেপ কৰা প্ৰয়োজন বুলি তেওঁ উল্লেখ কৰে। উল্লেখযোগ্য যে আজি শ্ৰী কেজৰিৱাল আৰু দিল্লীৰ মুখ্যমন্ত্ৰী আতিশীয়ে নতুন দিল্লীৰ পূব কিডৱাই নগৰত মুখ্যমন্ত্ৰীৰ মহিলা সন্মান যোজনাৰ পঞ্জীয়ন প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰিছে।

০০০০০০০০০

ডিব্ৰুগড়ৰ অসম সচিবালয়ত আজি অসম মন্ত্ৰীসভাৰ এখন বৈঠক অনুষ্ঠিত হ'ব। তিনিদিনীয়া উজনি অসমৰ ভ্ৰমণসূচীৰে বৰ্তমান ডিব্ৰুগড়ত বাহৰ পাতি থকা মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এই বৈঠকত অধ্যক্ষতা কৰিব।

আজি সন্ধিয়া চাৰে ৬ বজাত অনুষ্ঠিত হ'বলগীয়া বৈঠকখনত পৰিবহন মন্ত্ৰী যোগেন মহন, উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰা, শক্তিমন্ত্ৰী প্ৰশান্ত ফুকন আৰু শ্ৰমিক কল্যাণ মন্ত্ৰী ৰূপেশ গোৱালাই উপস্থিত থাকিব। বৰ্তমান গুৱাহাটী আৰু আন জিলা সদৰত থকা মন্ত্ৰীসভাৰ সদস্যসকলে ভাৰ্চুৱেল ব্যৱস্থাৰে বৈঠকত অংশ ল'ব।

মুখ্যমন্ত্ৰীৰ কাৰ্যসূচীৰ অংশ হিচাপে আজি ডিব্ৰুগড় মানকটা খেলপথাৰত চৰকাৰৰ বিভিন্ন আঁচনিৰ অধীনত হিতাধিকাৰীসকলৰ মাজত নগদ ধন আৰু সাহায্য বিতৰণ কৰা হৈছে। অনুষ্ঠানত প্ৰজ্ঞান ভাৰতী আঁচনিৰ ডং

বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত দুহেজাৰ ৫৯৩ গৰাকী শিক্ষাৰ্থীক স্কুটী প্ৰদান কৰাৰ লগতে আনন্দৰাম বৰুৱা বঁটাৰ অধীনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা এহেজাৰ ২৫৫ গৰাকী ছাত্ৰ-ছাত্ৰীক নগদ ধন প্ৰদান কৰা হয়। সেইদৰে মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীত অধ্যয়নৰত ১০ হাজাৰ ২৭০ গৰাকী ছাত্ৰ-ছাত্ৰীক চাইকেল প্ৰদান কাৰ্যসূচী আৰম্ভ কৰা হয়।

এই ভ্ৰমণৰ সময়ছোৱাত মুখ্যমন্ত্ৰীয়ে উজনি অসমৰ জিলাসমূহত চলি থকা বিভিন্ন উন্নয়নমূলক কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে বিভিন্ন চৰকাৰী আঁচনিৰ কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰিব।

ooooooooo

সমগ্ৰ উত্তৰ ভাৰত প্ৰচণ্ড শীত প্ৰৱাহৰ কৱলত পৰিছে। জম্মু-কাশ্মীৰ, হিমাচল প্ৰদেশ, পাঞ্জাৱ আৰু মধ্য প্ৰদেশত ধাৰাসাৰ বৰষুণৰ লগতে ন্যূনতম তাপমাত্ৰা শূন্য ডিগ্ৰীৰ তললৈ অৱনমিত হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে এই ৰাজ্যকেইখনৰ কেইবাখনো জিলাত অ'ৰেঞ্জ এলাৰ্ট জাৰি কৰাৰ উপৰি অনাগত সময়ত বতৰে অত্যন্ত প্ৰতিকুল ৰূপ ধাৰণ কৰিব পাৰে বুলি প্ৰকাশ কৰিছে। হিমালয় অঞ্চল, জম্মু আৰু কাশ্মীৰ তথা হিমাচল প্ৰদেশৰ বিস্তীৰ্ণ এলেকাত তুষাৰপাত হোৱাৰ ফলত জলপ্ৰপাত আৰু নিজৰাৰ পানীও বৰফলৈ ৰূপান্তৰিত হৈছে। শ্ৰীনগৰত তাপমাত্ৰা শূন্যৰ পৰা ৪ দশমিক ৬ ডিগ্ৰী ছেলছিয়াচ তললৈ নামিছে। একেদৰে কুলগ্ৰাম জিলাৰ কণিবাল গাঁৱত হাড়কঁপোৱা শীতে জনসাধাৰণক বিপৰ্যস্ত কৰিছে। অঞ্চলটোত তাপমাত্ৰা শূন্যৰ পৰা ৬ দশমিক ৫ ডিগ্ৰী ছেলছিয়াছ তললৈ নামিছে। চণ্ডীগড়ত শূন্য দশমিক ৮ ডিগ্ৰী আৰু পঞ্জাৱৰ আদমপুৰত ১ দশমিক ৮ ডিগ্ৰী ছেলছিয়াছ উষ্ণতা ৰেকৰ্ড কৰা হৈছে। দিল্লী আৰু চৌপাশৰ অঞ্চলসমূহত পাতলীয়া বৰষুণ আৰু ঘন কুঁৱলী পৰাৰ ফলত শীতৰ প্ৰকোপ বৃদ্ধি পাইছে। বতৰ বিজ্ঞান বিভাগে অহা ২৬ ডিচেম্বৰৰ ভিতৰত আৰব সাগৰত সৃষ্টি হোৱা নিম্ন চাপৰ প্ৰভাৱত উত্তৰ-পশ্চিম ভাৰতৰ বতৰ প্ৰতিকূল হৈ পৰিব বুলি প্ৰকাশ কৰিছে। উত্তৰাখণ্ডতো বিভাগে তুষাৰপাতৰ আগজাননী দিছে। ইপিনে, লাডাখত অহা ২৭ৰ পৰা ২৯ ডিচেম্বৰৰ ভিতৰত পাতলীয়াৰ পৰা মজলীয়া তুষাৰপাতৰ আগজাননী জাৰি কৰা হৈছে।

ooooooooo

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ভাৰতীয় সম্প্ৰদায়ৰ আমেৰিকান উদ্যোগী শ্ৰীৰাম কৃষ্ণণক কৃত্ৰিম বুদ্ধিমত্তা বিষয়ত হোৱাইট হাউছৰ জ্যেষ্ঠ নীতি উপদেষ্টা হিচাপে নিযুক্তি দিছে। শ্ৰী কৃষ্ণণে যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ কৃত্ৰিম বুদ্ধিমত্তা নীতি প্ৰণয়নৰ বাবে হোৱাইট হাউছত এ আই আৰু ক্ৰিপ্টচিজাৰ বিষয়ত নিযুক্তি দিয়া ডেভিদ ছেক্সৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ কাম কৰিব। এই ঘোষণাৰ পাছতে কৃষ্ণণে সামাজিক মাধ্যম এক্সযোগে কৃতজ্ঞতা প্ৰকাশ কৰে। কৃষ্ণণৰ এই নিযুক্তিৰ বাবে আমেৰিকাত থকা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলে সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে এই নিযুক্তিয়ে প্ৰযুক্তি আৰু নেতৃত্বৰ ক্ষেত্ৰত কৃষ্ণনৰ অৱদানক স্বীকৃতি দিছে বুলি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে চেন্নাইত জন্মগ্ৰহণ কৰা কৃষ্ণনে স্নাতক ডিগ্ৰী সম্পূৰ্ণ কৰি আমেৰিকালৈ ৰাওনা হয়। তেওঁ মাইক্ৰ'ছফ্টৰ উইণ্ডজ এজিউৰৰ প্ৰতিষ্ঠাপক সদস্য হিচাপে নিজৰ কৰ্মজীৱন আৰম্ভ কৰে। প্ৰযুক্তিৰ ক্ষেত্ৰত নেতৃত্ব দিয়াৰ লগতে তেওঁ এগৰাকী পুঁজিপতি, পডকাষ্টাৰ আৰু লেখক হিচাপেও স্বীকৃতি লাভ কৰিছে।

ooooooooo

উত্তৰ প্ৰদেশ আৰু পঞ্জাৱ আৰক্ষীৰ যুটীয়া বাহিনীৰ নেতৃত্বত চলোৱা এটা অভিযানত খালিস্তান পন্থী তিনিজন উগ্ৰপন্থী নিহত হয়। যোৱা ১৯ ডিচেম্বৰত পঞ্জাৱৰ গুৰুদাসপুৰ জিলাৰ এটা আৰক্ষী চকীত গ্ৰেণেডেৰে আক্ৰমণ কৰা ঘটনাত সন্ত্ৰাসবাদী কেইজন জড়িত থকা বুলি সন্দেহ কৰা হৈছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি অঞ্চলটোত খালিস্তান পন্থী সন্ত্ৰাসবাদীৰ সন্দেহজনক গতিবিধিৰ বিষয়ে খবৰ লাভ কৰাৰ পাছত আৰক্ষীৰ যুটীয়া বাহিনীয়ে তেওঁলোকক আটক কৰিব বিচাৰিছিল যদিও তেওঁলোকে গুলীচালনা কৰে। পূৰণপুৰ আৰক্ষী চকীৰ অন্তৰ্গত এলেকাত এই সংঘৰ্ষৰ সূত্ৰপাত হয়। সংঘৰ্ষত সন্ত্ৰাসবাদীকেইজন গুৰুতৰভাৱে আহত হয়। তেওঁলোকক চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও চিকিৎসকে তেওঁলোকক মৃত ঘোষণা কৰে। সন্ত্ৰাসবাদী কেইজনক গুৰবিন্দৰ সিং, বীৰেন্দ্ৰ সিং আৰু জচনপ্ৰীত সিং বুলি চিনাক্ত কৰা হৈছে। ঘটনাস্থলীৰ পৰা দুটা এ কে চিৰিজৰ ৰাইফল আৰু দুটা পিষ্টল উদ্ধাৰ কৰা হয়।

০০০০০০০০০

সমাপ্ত